জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৩/২০২৩**

# ঐতিহাসিক 'ৰংঘৰ'ক পৰ্যটন ক্ষেত্ৰৰ এক অতি আকৰ্ষণীয় কীৰ্তিচিহ্ন হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে প্ৰায় শতাধিক গণ্য-মান্য ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসমৰ প্ৰত্নতাত্ত্বিক সমলসমূহক পৰ্যটন বিশ্বৰ মানচিত্ৰত উজলাই তোলাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা নিৰন্তৰ প্ৰয়াসৰ অংশ হিচাপে এছিয়া মহাদেশৰ প্ৰথমটো পেভিলিয়ন ৰূপে প্ৰখ্যাত ঐতিহাসিক 'ৰংঘৰ'ক প্ৰচাৰ, সংৰৰ্দ্ধন আৰু সৌন্দৰ্যবৰ্দ্ধনেৰে পৰ্যটন ক্ষেত্ৰৰ এক অতি আকৰ্ষণীয় কীৰ্তিচিহ্ন হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে ৰাইজৰ মতামত বিচাৰি শিৱসাগৰ চহৰৰ যুৱদল প্ৰেক্ষাগৃহত প্ৰায় শতাধিক গণ্য-মান্য ব্যক্তি আৰু জ্যেষ্ঠ নাগৰিকৰ সৈতে আয়োজিত এক মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে।

মত-বিনিময় অনুষ্ঠানত অংশ লোৱাৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰংঘৰৰ চৌহদ সম্প্ৰসাৰণ আৰু বিভিন্ন সা-সুবিধা উপলব্ধ আন্তগাঁথনি উন্নয়নৰ বাবে প্ৰায় ৮৩ বিঘা ভূমি অধিগ্ৰহণ কৰি লোক নিৰ্মাণ বিভাগৰ দ্বাৰা এটা প্ৰকল্পৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। এই প্ৰকল্পটোৰ আৰ্হি প্ৰদৰ্শনৰ অন্তত আজি লাভ কৰা পৰামৰ্শ সমূহ চালি-জাৰি চাই শিৱসাগৰৰ সাংসদ-বিধায়কসকলৰ সৈতে আলোচনা কৰি ইয়াক চূড়ান্ত ৰূপ দিয়া হ'ব আৰু নতুন বৰ্ষৰ বাজেটত ইয়াক ৰূপায়ণৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব বুলিও তেওঁ কয়।

উল্লেখ্য যে এই প্ৰকল্পটোত পাঁচ হাজাৰ আৰু দুই হাজাৰ আসনসম্পন্ন এম্পিথিয়েটাৰ, পৰম্পৰাগত সাজ-পোছাক পৰিদৰ্শনৰ বিপণী আৰু থলুৱা খাদ্য সম্ভাৰ উপলব্ধ এখন খাদ্যগাঁও, এহাজাৰ গাড়ী ৰাখিব পৰা ব্যৱস্থা, ভূমিসংলগ্ন গেলেৰীৰ সৈতে আলোক আৰু আৱহ সংগীত প্ৰদৰ্শনৰ ব্যৱস্থা থাকিব।

আজিৰ এই অনুষ্ঠানত শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটা, শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ, লোক নিৰ্মাণ (গৃহ) বিভাগৰ আয়ুক্ত সচিব ৰাজ চক্ৰৱৰ্তী প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**হেংশঃ**
**২৯/১/২০২৩**